**JYOTIRMAY JANA, MA, LL.B., PhD**
**Retired Associate Professor, Nowgong Girls' College**
**Former Professor and Head of the Department of English, Assam Down Town University**
**"ASHA-BHUMI", MADHUPUR, NAGAON 782003, ASSAM, INDIA**
Phone 9435837344●7002530267 ■ Email jjana1947@gmail.com

---

ভাৰপ্ৰাপ্ত বিষয়া, ২ চেপ্তেম্বৰ, ২০২১
নগাঁও সদৰ থানা।

বিষয়: বৌদ্ধিক সম্পদৰ লুণ্ঠনকাৰী, গ্ৰন্থস্বত্ব আইন-ভঙ্গকাৰী আৰু কুম্ভিলক বৃত্তিত নিমজ্জিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰফুল্ল কুমাৰ নাথ আৰু তেওঁৰ অপকৰ্মৰ সহযোগী গুৱাহাটীৰ পাণবজাৰৰ গ্ৰন্থবিক্ৰেতা তথা প্ৰকাশক বুকলেণ্ডৰ/আদিত্য বুক ডিষ্ট্ৰিবিউটৰৰ বিৰুদ্ধে আইনানুগ কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে আবেদন।

মহোদয়,

আপোনাৰ অৱগতিৰ কাৰণে আৰু আপোনাৰদ্বাৰা বিহিত ব্যৱস্থা গ্ৰহণৰ অৰ্থে তলৰ কথাকেইটা বিনম্ৰভাৱে বিবেদন কৰিবলৈ বিচাৰিছোঁ:

১. আজিৰেপৰা দুই দশকৰো আগতে ৰুদ্ৰৰাম বড় দলৈৰ *বঙ্গাল বঙ্গালনী নাটক* নামৰ এখন দুৰ্লভ আৰু দুষ্প্ৰাপ্য গ্ৰন্থ মোৰ দৃষ্টিগোচৰ হৈছিল। ১৮৭১ খ্ৰীষ্টাব্দত শিৱসাগৰ মিছন প্ৰেছৰদ্বাৰা প্ৰকাশিত এই গ্ৰন্থখন প্ৰায় এক শতিকা জুৰি সাধাৰণ পাঠকৰ কথা বাদেই বহু দিগ্‌গজ পণ্ডিতেও বিচাৰি পোৱা নাছিল। উনবিংশ শতাব্দীৰ ঐতিহাসিক গুৰুত্বসম্পন্ন উক্ত গ্ৰন্থখন মই কঠোৰ শ্ৰম কৰি সম্পাদনা কৰোঁ আৰু ২০১৪ চনত গুৱাহাটীৰ ভবানী বুকচে তাক প্ৰকাশ কৰে। গ্ৰন্থৰ শিৰোনাম হয় *ৰুদ্ৰৰাম বড় দলৈৰ বঙ্গাল বঙ্গালনী নাটক: মূল নাটক আৰু আলোচনা*।

প্ৰকাশক: ভবানী বুকচ, পানীখাইটী, গুৱাহাটী- ৭৮১০২৬।

গ্ৰন্থৰ ISBN 978-93-81139-31-8, প্ৰডাক্ট ক'ড - 1465-B1

২. মোৰদ্বাৰা সম্পাদিত উক্ত নাটকখন ২০১৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে পাঠ্যপুথি হিচাপে গ্ৰহণ কৰে।

৩. মোৰ সম্পাদিত গ্ৰন্থখনৰ অনুকৰণত লিখা আন এখন গ্ৰন্থ বজাৰলৈ আহি মোৰ গ্ৰন্থৰ বিপণনত বিঘিনি সৃষ্টি কৰি থকা বুলি মোৰ প্ৰকাশন সংস্থাৰপৰা মোক মাজে মাজে জনোৱা হৈছিল যদিও আমাৰ হাতত এই বিষয়ত কোনো তথ্য-প্ৰমাণ নাছিল। কিতাপখন আমি চকুৰে দেখাও নাছিলোঁ। কিন্তু অলপতে মই কিতাপখন সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছোঁ। মোৰ গ্ৰন্থৰ সমলখিনি ভালেমান ক্ষেত্ৰত মোৰ ভাষাৰেই সন্নিবিষ্ট কৰি হ্ৰস্বাকাৰত এইখন গ্ৰন্থ যুগুতোৱা হৈছে। যুগুতাইছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° প্ৰফুল্ল কুমাৰ নাথে। আমি জানো, বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগত এই নামৰ এজন অধ্যাপক আছে।

কিতাপখনৰ বেটুপাত, শিৰোনাম পৃষ্ঠা (title page), স্বত্ব-পৃষ্ঠা(copyright page) আৰু পিছ-বকলাৰ ওপৰত চকু ফুৰালেই দুষ্কৃতিকাৰীসকলে সুচতুৰভাৱে কৰা বিসঙ্গতিবোৰ জল্‌জল্‌-পট্‌পট্‌কৈ ওলাই পৰে।

৪. (ক) বেটুপাতত লিখা আছে: BOOKLAND
*বঙ্গাল-বঙ্গালনী নাটক*
ড° প্ৰফুল্ল কুমাৰ নাথ

ইয়াত *বঙ্গাল বঙ্গালনী নাটক*ৰ মূল লেখক ৰুদ্ৰৰাম বড় দলৈৰ নাম নাই, আছে ড° প্ৰফুল্ল কুমাৰ নাথৰ নাম। অৰ্থাৎ ৰুদ্ৰৰাম বড় দলৈ নহয়, ড° প্ৰফুল্ল কুমাৰ নাথেহে নাটকখনৰ প্ৰণেতা। Macmillan, Longman আদি বিশ্ববিখ্যাত গ্ৰন্থ-প্ৰকাশন সংস্থাবোৰে তেওঁলোকৰ প্ৰকাশিত গ্ৰন্থৰ বেটুপাতত তেওঁলোকৰ সংস্থাৰ নাম ঘোষণা কৰাৰ দৰে এই গ্ৰন্থখনৰো বেটুপাতত প্ৰকাশকে ধুনীয়াকৈ লিখি থৈছে BOOKLAND।

(খ) শিৰোনাম পৃষ্ঠা(title page)ত আকৌ দেখা যায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° প্ৰফুল্ল কুমাৰ নাথ গ্ৰন্থখনৰ প্ৰণেতা নহয়, সম্পাদকহে আৰু পাণবজাৰৰ বুকলেণ্ড ইয়াৰ প্ৰকাশক নহয়, ডিষ্ট্ৰিবিউটৰহে। এই পৃষ্ঠাত ৰুদ্ৰৰাম বড় দলৈক মূল নাটকখনৰ প্ৰণেতা বুলি স্বীকাৰ কৰা হৈছে।

(গ) ইপিনে গ্ৰন্থস্বত্ব পৃষ্ঠা(copyright page)ত দেখা গৈছে, ড° প্ৰফুল্ল কুমাৰ নাথ গ্ৰন্থখনৰ সম্পাদক (editor) তথা সঙ্কলক (compiler) আৰু পাণবজাৰৰ বুকলেণ্ড ইয়াৰ প্ৰকাশক।

ঠিক ইয়াৰ তলতেই সকলোকে স্তম্ভিত কৰি ঘোষণা কৰা হৈছে যে গ্ৰন্থখনৰ প্ৰকাশক পাণবজাৰৰ আদিত্য বুক ডিষ্ট্ৰিবিউটৰ। প্ৰকাশ কাল ২০১৭। গ্ৰন্থস্বত্বৰ ঠাইত দেখা গৈছে যে গ্ৰন্থখনৰ লেখক/সম্পাদক-সঙ্কলক ড° প্ৰফুল্ল কুমাৰ নাথ নহয়, গ্ৰন্থস্বত্বৰ অধিকাৰী হ'ল 'Publisher', অৰ্থাৎ প্ৰকাশক। প্ৰকাশক নো কোন? বুকলেণ্ড নে আদিত্য বুক ডিষ্ট্ৰিবিউটৰ? ইয়াৰ উত্তৰ নাই। দুয়োটা সংস্থা ইয়াৰ প্ৰকাশক হব নোৱাৰে, কিয়নো গ্ৰন্থস্বত্ব দিয়া হৈছে Publisherক, Publishersক নহয়। যিয়েই নহওক, চুৰ কৰি লিখা কিতাপখনৰ স্বত্ব ড° প্ৰফুল্ল কুমাৰ নাথে প্ৰকাশকক হয় বিক্ৰী কৰিছে, নহয় কোনো অজ্ঞাত চৰ্তত হস্তান্তৰ কৰিছে।

(ঘ) পিছ-বকলাত দেখা যায় গ্ৰন্থখনৰ ISBN 978-81-89872-04-2 আৰু ইয়াৰ ডিষ্ট্ৰিবিউটৰ গুৱাহাটীৰ পাণবজাৰৰ বুকলেণ্ড।

পূৰ্ব-পৰিকল্পিতভাৱে কৰা এইবোৰ বিভ্ৰাট-বিসঙ্গতিয়ে ইয়াকে সূচাইছে যে যিটো দুষ্ট চক্ৰই এই দুষ্কৰ্ম কৰিছে তাৰ প্ৰধান দুই সদস্য হ'ল ড° প্ৰফুল্ল কুমাৰ নাথ আৰু বুকলেণ্ড/আদিত্য বুক ডিষ্ট্ৰিবিউটৰ। উল্লেখ কৰা পাতবোৰ Annexure 1A, Annexure 1B, Annexure 1C আৰু Annexure 1D হিচাপে লগত দিয়া হ'ল।

৫. মোৰ কিতাপখনত আছে পাঁচটা ভাগ, ড° নাথৰখনত আছে তিনিটা। তিনিওটা ভাগতেই ড° নাথৰ চৌৰ্যবৃত্তিৰ পৰ্যাপ্ত প্ৰমাণ পাব। প্ৰতিটো ভাগৰেপৰা কেইটামান উদাহৰণ Annexure 2ত সন্নিবিষ্ট কৰা হ'ল।

এনে স্থলত মহোদয়ৰ ওচৰত আমাৰ বিনীত নিৱেদন এই যে মোৰ অনুমতি অবিহনে আৰু মোৰ সম্পূৰ্ণ অজ্ঞাতে গ্ৰন্থস্বত্ব লংঘন কৰি মোৰ বৌদ্ধিক সম্পদ চুৰ কৰি গ্ৰন্থাকাৰত বিক্ৰী কৰি থকা ড° প্ৰফুল্ল কুমাৰ নাথ আৰু বুকলেণ্ড/আদিত্য বুক ডিষ্ট্ৰিবিউটৰৰ বিৰুদ্ধে কঠোৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে চৌৰ্যবৃত্তিৰে যুগুতোৱা কিতাপখনৰ সকলো কপি ততালিকে জব্দ কৰি ন্যায় বিচাৰৰ বাট সুচল কৰে যেন।

ধন্যবাদেৰে ইতি —

(জ্যোতিৰ্ময় জানা)